**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া জৰ্দান ভ্ৰমণ সামৰি ইতিমধ্যে ইথিয় পিয়াৰ ৰাজধানী অদীছ অবাবাত উপস্থিত হৈছে।

২। ৰাজ্যসভাত নিৰ্বাচনী সংস্কাৰ সম্পৰ্কীয় আলোচনাৰ আজি সামৰণি পৰে।

৩। ভাৰতে মাদক দ্ৰব্য আৰু নিচাজাতীয় দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে যুঁজিবলৈ ২৭ খন দেশৰ সৈতে দ্বিপাক্ষিক চুক্তি আৰু ১৯ খন দেশৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। চৰকাৰে ২০১৪-১৫ চনৰে পৰা অভিযান ব্যয় আৰু সুৰক্ষা বাহিনীৰ প্ৰশিক্ষণৰ বাবে বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত ৰাজ্যসমূহলৈ ৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা মোকলাই দিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কাইলৈ লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া জৰ্দান ভ্ৰমণ সামৰি কিছু সময় পূৰ্বে ইথিয় পিয়াৰ ৰাজধানী অদীছ অবাবাত উপস্থিত হয়। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী ড০ আবি আহমেদ আলীৰ সৈতে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ সম্পৰ্কে আলোচনা কৰিব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে আজি জৰ্দান ভ্ৰমণৰ অন্তিম দিনা দেশখনৰ ৰজা আব্দুল্লা দ্বিতীয়ৰ সৈতে বিভিন্ন বিষয় লৈ বিশদভাৱে আলোচনা কৰে আৰু উভয় দেশৰ উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ ব্যৱসায় মঞ্চক উদ্দেশি ভাষণ দিয়ে। ভাৰত আৰু জৰ্দানে দুয়ো দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ উদযাপন কৰিবলৈ প্ৰস্তুতি চলোৱাৰ সময়ত কৰা প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণকালত কেইবাখনো চুক্তিৰ চূড়ান্ত ৰূপ দিয়া হয় আৰু অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ উপায় সম্পৰ্কে আলোচনা কৰা হয়। প্ৰধানমন্ত্ৰী মোদী আৰু ৰজা আব্দুল্লা দ্বিতীয়ই আজি আম্মানত ভাৰত জৰ্দান ব্যৱসায় মঞ্চত যুটীয়াভাৱে ভাষণ দিয়ে। অনুষ্ঠানত জৰ্দানৰ যুৱৰাজ হুছেইন আৰু বাণিজ্য আৰু উদ্যোগ তথা বিনিয়োগ মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাই উভয় পক্ষৰ উদ্যোগ জগতৰ কাণ্ডাৰীসকলৰ সম্ভাৱনা আৰু সুযোগসমূহক বিকাশ আৰু সমৃদ্ধিলৈ ৰূপান্তৰ কৰিবলৈ আহ্বান জনায়। ৰজা আব্দুল্লা দ্বিতীয়ই কয়, যে জৰ্দানৰ মুক্ত বাণিজ্য চুক্তি আৰু ভাৰতৰ অৰ্থনৈতিক শক্তিয়ে দক্ষিণ এছিয়া আৰু পশ্চিম এছিয়াৰ মাজত অৰ্থনৈতিক ক'ৰিডৰ সৃষ্টি কৰাত সহায় কৰিব পাৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত কয়, যে ভাৰত আৰু জৰ্দানৰ মাজত সভ্যতাজনিত ঘনিষ্ঠ সম্পৰ্ক আধাৰিত শক্তিশালী সহযোগিতা আছে। ভাৰতক জৰ্দানৰ তৃতীয় সৰ্ববৃহৎ সহযোগী বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে পৰৱৰ্তী ৫ বছৰত দেশখনৰ সৈতে দ্বিপাক্ষিক বাণিজ্য দুগুণলৈ বৃদ্ধি কৰি ৫০০ কোটি ডলাৰ কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। প্ৰধানমন্ত্ৰীয়ে জৰ্দানৰ কোম্পানীসমূহক ভাৰতৰ সৈতে সহযোগিতা কৰিবলৈ আৰু ভাৰতৰ ১৪০ কোটি উপভোক্তা, শক্তিশালী নিৰ্মাণ ভেঁটি আৰু সুস্থিৰ নীতিগত বাতাৱৰণৰ সুবিধা গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনায়। দুয়োখন দেশ বিশ্বৰ বাবে বিশ্বাসযোগ্য যোগান শৃংখলা সহযোগী হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে

লগতে ডিজিটেল আন্তঃগাঁথনি, তথ্য-প্ৰযুক্তি, বিত্তীয় প্ৰযুক্তি, স্বাস্থ্য প্ৰযুক্তি আৰু কৃষি প্ৰযুক্তিৰ ক্ষেত্ৰত ব্যৱসায়ৰ বিভিন্ন সুযোগৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আৰু ৰজা আব্দুল্লা দ্বিতীয় কালি আম্মানৰ হুছেনীয়া প্ৰাসাদত প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই বাণিজ্য, উদ্যোগ, ডিজিটেল প্ৰযুক্তি, সাৰ, আন্তঃগাঁথনি, কৃষি, শক্তি আৰু জনসাধাৰণৰ বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। আলোচনাকালত প্ৰধানমন্ত্ৰীয়ে সন্ত্ৰাসবাদ, উগ্ৰবাদ আৰু মৌলবাদৰ বিৰুদ্ধে জৰ্দানৰ কঠোৰ স্থিতিৰ ভূয়সী প্ৰশংসা কৰে। ৰজা আব্দুল্লাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে চলাই থকা যুঁজৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু সকলো ধৰণৰ সন্ত্ৰাসবাদক গৰিহণা দিয়ে। দুয়োগৰাকী নেতাই লগতে আঞ্চলিক আৰু গোলকীয় ঘটনাক্ৰমক লৈ আলোচনা কৰে আৰু পশ্চিম এছিয়াত শান্তি, সুস্থিৰতা বৰ্তাই ৰখাত গুৰুত্ব আৰোপ কৰে। শ্ৰীমোদীয়ে অঞ্চলটোত স্থায়ী শান্তি স্থাপনৰ প্ৰয়াসৰ প্ৰতি ভাৰতৰ সহযোগিতাৰ কথা দোহাৰে। দুয়োখন দেশৰ মাজত সংস্কৃতি, নৱীকৰণযোগ্য শক্তি, জল ব্যৱস্থাপনা, ডিজিটেল আন্তঃগাঁথনি আৰু জৰ্দানৰ পেট্ৰা আৰু ভাৰতৰ ইলোৰাৰ ঐতিহাসিক স্থানসমূহৰ পুনৰুদ্ধাৰ সম্পৰ্কীয় ৫ খন বুজাবুজিৰ চুক্তিত চূড়ান্ত ৰূপ দিয়া হয়।

ooooo

ৰাজ্যসভাত নিৰ্বাচনী সংস্কাৰ সম্পৰ্কীয় আলোচনাৰ আজি সামৰণি পৰে। আলোচনাত অংশগ্ৰহণ কৰি এন চি পিৰ প্ৰফুল পেটেলে কয়, যে ই ভি এম নিৰ্বাচনত পূৰ্বতেও ব্যৱহাৰ হৈছিল আৰু ই ভি এমৰ সৈতে জালিয়াতি কৰাৰ কোনো প্ৰমাণ নাই। তেওঁ কয়, যে নিৰ্বাচন আয়োগে ই ভি এমত কেনেকৈ জালিয়াতি কৰিব পাৰি তাক প্ৰমাণ কৰিবলৈ মুকলিভাৱে প্ৰত্যাহ্বান জনাইছিল যদিও কোনো আগবাঢ়ি অহা নাই। ভোটদানৰ অধিকাৰ জনসাধাৰণ, দেশ আৰু গণতন্ত্ৰৰ শক্তি বুলি তেওঁ মন্তব্য কৰে।

তৃণমূল কংগ্ৰেছৰ ডেৰিক অ'ব্ৰায়েনে কয়, যে গৃহ মন্ত্ৰীয়ে ইংৰাজী বৰ্ণমালাৰ ডি আখৰেৰে যোৰা তিনিটা শব্দ ডিটেক্ট, ডিলিট আৰু ডিপ'ৰ্ট অৰ্থাৎ অযোগ্য ভোটদাতাক চিনাক্ত কৰা, তেনে ভোটদাতাৰ নাম তালিকাৰ পৰা কৰ্তন কৰা আৰু অবৈধ বিদেশী নাগৰিকসকলক বিতাৰণ কৰাই ভোটাৰ তালিকাৰ সংশোধনৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰিছে। জনসাৰণৰ বিভাজন, মনোযোগ অন্যফালে ঢাল খুওৱা আৰু পৰাজিত কৰাহে ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনৰ প্ৰকৃত উদ্দেশ্য বুলি তেওঁ অভিযোগ তোলে।

উচ্চ সদনৰ নেতা জে পি নাড্ডাই আলোচনাত ভাগ লৈ কয়, যে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন নিৰ্বাচন আয়োগৰ সংবিধান প্ৰদত্ত ক্ষমতাৰ আওতাৰ ভিতৰৰ বিষয়। তেওঁ কয়, যে সময়ে সময়ে ভোটাৰ তালিকাৰ সংস্কাৰ কৰাটো নিৰ্বাচন আয়োগৰ কৰ্তব্য। কোনো যোগ্য ভোটদাতাৰ নাম ভোটাৰ তালিৰ পৰা বাদ নপৰাটো আৰু কোনো অযোগ্য ভোটদাতাৰ নাম তালিকাত অন্তৰ্ভুক্ত নোহোৱাটো সুনিশ্চিত কৰাটো সংবিধানৰ উদ্দেশ্য বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে নিৰ্বাচন আয়োগ আৰু উচ্চতম ন্যায়ালয়ৰ দৰে সাংবিধানিক নিকায়সমূহ দেশৰ গণতন্ত্ৰৰ ভেঁটিস্বৰূপ। তেওঁ কয়, যে এই প্ৰতিষ্ঠানসমূহ শক্তিশালী হ'লে গণতন্ত্ৰৰ শিপাও গভীৰ হয়। কংগ্ৰেছক আক্ৰমণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দলটোৱে ভোটাৰ তালিকাৰ পুংখানুপুংখ সংশোধনৰ বিৰুদ্ধে চলোৱা অভিযান ব্যৰ্থ হৈছে আৰু বিহাৰ বিধানসভাৰ শেহতীয়া নিৰ্বাচনৰ ফলাফলে সেই কথা প্ৰমাণ কৰিছে। নাড্ডাৰ মন্তব্যৰ পাছতে নিৰ্বাচনী সংস্কাৰ সম্পৰ্কীয় আলোচনাৰ সামৰণি পৰে।

ooooo

ভাৰতে মাদক দ্ৰব্য আৰু নিচাজাতীয় দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে যুঁজিবলৈ ২৭ খন দেশৰ সৈতে দ্বিপাক্ষিক চুক্তি আৰু ১৯ খন দেশৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহৰ নিয়ন্ত্ৰণৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। তেওঁ লগতে কয়, যে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ই মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহৰ বিৰুদ্ধে যুঁজিবলৈ ব্ৰিকছ, আছিয়ান, ছাংহাই সহযোগিতা সংস্থা আদিৰ দৰে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ সৈতে সমন্বয় ৰক্ষা কৰি আহিছে।

00000

চৰকাৰে ২০১৪-১৫ চনৰে পৰা অভিযান ব্যয় আৰু সুৰক্ষা বাহিনীৰ প্ৰশিক্ষণৰ বাবে বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত ৰাজ্যসমূহলৈ ৩ হাজাৰ ৫০০ কোটিৰো অধিক টকা মোকলাই দিছে। লোকসভাত আজি এটা লিখিত উত্তৰত কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত ৰাজ্যসমূহলৈ বিশেষ বাহিনী, ৰাজ্যিক চোৰাংচোৱা শাখা আৰু জিলা আৰক্ষী বাহিনীৰ সবলীকৰণ তথা বিশেষ আন্তঃগাঁথনি যোজনাৰ অধীনত নিৰাপদ থানা নিৰ্মাণৰ বাবে এহেজাৰ ৭৫৭ কোটি টকাৰ কামত অনুমোদন জনোৱা হৈছে। দেশত ২০১০ চনৰ পৰা বাওঁপন্থী উগ্ৰবাদজনিত হিংসাত্মক ঘটনা ৮৯ শতাংশ হ্ৰাস পাইছে বুলি শ্ৰী ৰায়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে যোৱা দশকত ৬৫৬ খন নিৰাপদ থানা গঢ়ি তোলা হৈছে। তেওঁ লগতে বিগত ছটা বছৰত বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত মূল এলেকাসমূহত ৩৭৭ টা নতুন সুৰক্ষা শিৰিৰ স্থাপন কৰা হৈছে বুলি প্ৰকাশ কৰে।

00000

বিকশিত ভাৰত -গ্ৰাম্য কৰ্মসংস্থাপন আৰু জীৱিকা নিশ্চয়তা অভিযান বিধেয়কখনে এমজিএনৰেগাতকৈ তুলনামূতকভাৱে অধিক উন্নীতকৰণক প্ৰতিনিধিত্ব কৰে। এই বিধেয়কখনে নিয়োগ, স্বচ্ছতা, পৰিকল্পনা বৃদ্ধি কৰাৰ লগতে গাঁথনিগত দুৰ্বলতাসমূহ সমাধান কৰিব। ইয়াৰ উপৰিও বিধেয়কখনে উৎপাদনশীল সম্পত্তি সৃষ্টি, অধিক আয়, আৰু উন্নত স্থিতিস্থাপকতাৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰিব। শক্তিশালী সামাজিক সুৰক্ষা, উন্নত সংযোগ, ডিজিটেল সহজলভ্যতা আৰু অধিক বৈচিত্ৰময় গ্ৰাম্য জীৱিকাৰ সৈতে নতুন আইনখনে নিয়োগ আৰু গ্ৰাম্য আন্তঃগাঁথনি দুয়োটা সৃষ্টি কৰাৰ লক্ষ্য লৈছে । শ্ৰমিকসকলক কৰ্মদিনৰ অধিক নিশ্চয়তা প্ৰদান, উন্নত মজুৰি, অধিক শক্তিশালী সুৰক্ষা আৰু স্বচ্ছ কাৰ্যকৰীকৰণ ব্যৱস্থা প্ৰদান কৰা হৈছে এই নতুন বিধেয়কখনৰ অনত্যম উদ্দেশ্য।

00000

- অষ্ট্ৰেলিয়াৰ ছিডনীৰ বণ্ডি তীৰত শেহতীয়াকৈ সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰত আৰু ইজৰাইলে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰে বুলি দৃঢ়তাৰে কয়। আজি জেৰুজালেমত ইজৰাইলী সমকক্ষ গিডিয়ন ছায়াৰৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে এইদৰে মত প্ৰকাশ কৰে ।

00000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কাইলৈ লক্ষ্ণৌত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া সাত বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা ১৯ ডিচেম্বৰত আহমেদাবাদত অনুষ্ঠিত হ'ব।

00000

সমাপ্ত